জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৭৭/২০২১

<u>পৱিত্ৰ ভাদ মাহৰ অন্তিম দিনত নামঘৰত সেৱা ল'লে মুখ্যমন্ত্ৰীয়ে</u>

# শ্ৰীশ্ৰী বংশীগোপাল নামঘৰৰ আন্তঃগাঁথনি উন্নীতকৰণৰ বাবে ১০ লাখ টকাৰ অনুদানৰ কথা ঘোষণা মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৭ ছেপ্টেম্বৰ ঃ** পৱিত্ৰ ভাদ মাহৰ অন্তিম দিন আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭১ সংখ্যক জন্মদিন উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ পশ্চিম বৰাগাঁৱস্থিত শ্ৰীশ্ৰী বংশীগোপাল ৰাজহুৱা নামঘৰত উপস্থিত হৈ এগছি চাকি জ্বলাই সেৱা আগবঢ়ায়। নামঘৰ প্ৰাঙ্গনত ধৰ্মপ্ৰাণা আই-মাতৃসকলে আয়োজন কৰা নাম-কীৰ্তনত অংশগ্ৰহণ কৰাৰ পিছত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যবাসীৰ সৰ্বাংগীন কল্যাণৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সু-স্বাস্থ্য আৰু দীৰ্ঘয়ু কামনা কৰি আজি তেখেতে নামঘৰত সেৱা আগবঢ়াইছে যাতে এইগৰাকী মহান নেতাৰ নেতৃত্বত ভাৰতবৰ্ষই বিশ্বগুৰুৰ আসনত অধিস্থিত হোৱাৰ লগতে অসমকে ধৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক দেশৰ মুখ্য ধাৰাৰ সৈতে লৈ যোৱাৰ তেখেতৰ যি সপোন সেয়া বাস্তৱায়িত হয়।

নামঘৰ প্ৰাঙ্গনত উপস্থিত থকা ধৰ্মপ্ৰাণ ৰাইজৰ সৈতে হোৱা মত-বিনিময়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে নামঘৰটোৰ আন্তঃগাঁথনি উন্নীতকৰণৰ বাবে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ১০ লাখ টকাৰ অনুদান আগবঢ়োৱা হ'ব।

মুখ্যমন্ত্ৰীৰ এই নামঘৰ দৰ্শনৰ সময়ত প্ৰাক্তন মন্ত্ৰী তথা বিজেপি অসম প্ৰদেশৰ সভাপতি ভবেশ কলিতা, সাংসদ কুইন ওজা আৰু মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব তথা বিধায়ক জয়ন্তমল্ল বৰুৱাও উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**১৭-০৯-২০২১**